৫.০১ উজনি আৰু কামৰূপীৰ পাৰ্থক্য ঃ

ডঃ কাকতিয়ে উজনিৰ ভাষাৰূপ একেটাই বুলি ধৰি লৈ আলোচনা কৰিছে। কিন্তু প্ৰকৃততে উজনিৰ ভাষাৰূপবোৰ পাৰ্থক্য আছে। শিৱসাগৰৰ সৈতে নগাঁৱৰ ভাষাৰ পাৰ্থক্য সুস্পষ্ট। আনকি গোলাঘাটৰ ভাষাও শিৱসাগৰৰ সৈতে সম্পূৰ্ণ নিমিলে। এই বিষয়ে যিহেতু অধ্যয়ন হোৱা নাই, সেইবাবে আমি মান্যৰূপটোৰ সৈতেহে পাৰ্থক্য দেখুৱাম।

কামৰূপী উপ-ভাষাবো বৰপেটীয়া (বৰপেইটা), নলবৰীয়া (নলবেইৰা), পাতি-দৰং, পলাশবৰীয়া (পলাশবেইৰা) আদি ভাগ আছে। উজনিৰ ভাগবোৰৰ তুলনাত কামৰূপৰ ভাগবোৰ অধিক স্পষ্ট।

৫.০১.১ ধ্বনিতাত্ত্বিক পাৰ্থক্য ঃ

(১) মান্য অসমীয়াত শ্বাসাঘাত শব্দৰ মধ্যৱৰ্তী স্থানত (ডঃ কাকতিৰ মতে উপধা অক্ষৰত) পৰে। কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰে।

(২) কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত প্ৰবল শ্বাসাঘাত পৰা বাবে অব্যবহৃত পৰৱৰ্তী স্বৰধ্বনি লোপ পায়। যেনে —

| উজনি | কামৰূপী |
|---|---|
| কুকুৰা | কুক্‌ৰা |
| কোমোৰা | কুম্‌ৰা |
| অমৰা | আম্‌ৰা |
| কটাৰী | কাট্‌ৰি, কট্‌ৰি |
| দমৰা | দাম্‌ৰা ইত্যাদি। |

(৩) কামৰূপী উপভাষাত অপিনিহিত এটা বিশিষ্ট লক্ষণ। উজনিত অপিনিহিত প্ৰায় নায়েই। যেনে—

| উজনি | কামৰূপী |
|---|---|
| হালোৱা | হাউইলে, হাউলে |
| জালোৱা | জাউইলে, জাউলে |
| বামুণীয়া | বাউইয়া |
| কেৱলীয়া | কেউইলা, কেউলা |
| কলীয়া | কঅ'ইলা |
| দেউলীয়া | দেউইলা ইত্যাদি। |

(৪) উজনিৰ উপ-ভাষাটোত দুটা 'আ' ধ্বনি ওচৰা-ওচৰিকৈ থাকিলে তাৰে প্ৰথমটো প্ৰায়েই 'অ' হয়। কামৰূপীত একে থাকে। যেনে—

| উজনি | কামৰূপী |
|---|---|
| কণা | কানা |
| চকা | চাকা |
| তৰা | তাৰা |
| ৰজা | ৰাজা |
| কঁহাৰ | কাহাৰ |
| কমাৰ | কামাৰ |
| কঁকাল | কঁকল, কাকাল ইত্যাদি। |

উজনিৰ উপভাষাত নতুনকৈ গ্ৰহণ কৰা শব্দৰ ক্ষেত্ৰত প্ৰথমটো 'এ' হোৱাৰ ধ্বনি প্ৰবৃত্তি দেখা গৈছে। যেনে— জাগা > জেগা, চাধা > চেধা আদি।

(৫) উজনিত পদৰ শেষত থকা দ্বিস্বৰ 'ঐ' আৰু 'ঔ' কামৰূপীত যথাক্ৰমে 'এ' আৰু 'ও' হয়।

| | উজনি | কামৰূপী |
|---|---|---|
| ঐ > এ- | | |
| | আখৈ | আখে |
| | জাকৈ | জাখে |
| | কৰ্দৈ | কৰদে, কদ্‌দে |
| | গৰৈ | গৰে |
| | কাৰৈ | কৰে, কএ |
| ঔ > ও- | কাবৌ | কাবো |
| | টকৌ | টকো |
| | হলৌ | হলো |
| | ভাটৌ | বাতো |

(৬) বিকাশৰ দিশৰ পৰা কামৰূপীত থকা মহাপ্ৰাণ ধ্বনিও উজনিত অল্পপ্ৰাণ হয়। যেনে—

| উজনি | কামৰূপী |
|---|---|
| চকু | চখু |
| হাতী | হাথী |
| ভোক | ভখ, ভুখ, ভোখ |
| ভাঁপ | ভাফ |
| ঠোঁট | থুথ ইত্যাদি |

(৭) উজনিৰ মধ্য স্বৰধ্বনি কামৰূপীত উচ্চ হিচাপেই থাকে। যেনে—

| উজনি | কামৰূপী |
|---|---|
| এন্দুৰ | ইন্দুৰ |
| সেন্দুৰ | সিন্দুৰ |
| সেওঁতা | সিয়াতা |
| কাপোৰ | কাপুৰ |
| সাঁতোৰ | সাতুৰ |
| মাকো | মাকু ইত্যাদি |

৫.০১.২ ৰূপতাত্ত্বিক পাৰ্থক্য ঃ

(১) উজনি আৰু কামৰূপীৰ বহুবচনৰ চিনবোৰ বেলেগ বেলেগ —

| উজনি | কামৰূপী |
|---|---|
| বস্তুবোৰ | বস্তুগিলা, মাখা, মেখা |
| মানুহবিলাক | মানহুগিলা, গিলাক, গিলান |
| এইবোৰ | ইগলা, এংলা |
| সেইবোৰ | সেগলা, সেংলা ইত্যাদি। |

(২) স্থানবাচক আৰু কালবাচক সৰ্বনামবোৰ বেলেগ বেলেগ। যেনে —

| উজনি | কামৰূপী |
|---|---|
| এতিয়া | ইত্তে, ইতা, ইতে, এথান |
| তেতিয়া | তিত্তে, তিতে, তেথান |
| যেতিয়া | যিত্তে, যেথান |
| এইফালে | ইফ্‌লে, অহয়, অহায় |
| কোনফালে | কহয়, কহায় |
| সেইফালে | সিফ্‌লে, সহয়, সহায় ইত্যাদি। |

(৩) ব্যক্তিবাচক সৰ্বনামৰ ৰূপবোৰ বেলেগ বেলেগ। যেনে—

| উজনি | কামৰূপী |
|---|---|

| | |
|---|---|
| ইহঁত, এওঁলোক | আহ্মন, আন্‌হা |
| ইহঁতে | আহ্মন, আহ্মাই, এন্‌থে |
| সিহঁত, তেওঁলোক | তাহ্মন, তান্‌হা |
| তহঁত, তোমালোক | তুহ্মন, তোনথে, তন্‌থে, তুনহা |
| সিহঁতে | তাহ্মন, তানথে, সেন্‌থে |

(৪) উজনিৰ চতুৰ্থী বিভক্তিৰ ঠাইত কামৰূপী দ্বিতীয়া বা সপ্তমী বিভক্তি হয়। যেনে —

| উজনি | কামৰূপী |
|---|---|
| কলৈ গৈছে | ক'ত গেইছি, ক'ক গেইছি |
| চিলঙলৈ গ'ল | চিলঙক গেল |
| কলৈ যাবা | ক'ত যাবা, ক'ক যাবা ইত্যাদি। |

**৫.০১.৩ শব্দগত পাৰ্থক্য**

**ঘৰুৱা শব্দ**

| **উজনি** | **কামৰূপী** |
|---|---|
| চোতাল | চতল |
| বৰষুণ | বইৰ্‌হুন |
| পিৰালি | কাথি |
| পথাৰ | পাথাৰ, পথৰ |
| হেন্তা | কৰচ |
| বাৰিষা | বাইৰ্‌হা ইত্যাদি। |

**৫.০১.৩.১ সম্বন্ধবাচক শব্দ**

| **উজনি** | **কামৰূপী** |
|---|---|
| খুড়া | খুৰা, খুততা, খুততি |
| নবৌ | বৌ |
| জোঁৱাই | জাউঙে, জঙে |
| বোৱাৰী | ব'ৰি |
| ল'ৰা | আপা, ল'ৰা |
| ছোৱালী | আপী, মাই |
| বৰজনা | ভাই-শহুৰ |
| গিৰিয়েক | লালাক |
| ঘৈণীয়েক | ঘৈয়াক, মাইহাক ইত্যাদি। |

**৫.০১.৩.২ ফল-মূল ঃ**

| | |
|---|---|
| নেমু | তুইক্ষা |

| | |
|---|---|
| জলকীয়া | ভিজলুক, ভজলুক |
| অমিতা | মইদ্‌ফল |
| মধুৰী আম | সোইফৰাম, সোফৰাম |
| জলফাই | জল্‌পে |
| লেতেকু | লেতুক |

৫.০১.৩.৩ ফুল ঃ

| | |
|---|---|
| শেৱালি | পাইনপিপ্‌লি, পাইনপেলি |
| নাৰ্জি | গেন্ধা, গেন্ধে |

৫.০১.৩.৪ চৰাই ঃ

| | |
|---|---|
| কপৌ | কুপ্তি |
| ঘনচিৰিকা | চোকা |
| দহিকতৰা | দেওকাত্‌ৰা, গোবৰথেইপা |
| পইতাচ'ৰা | তেলভৌকা |
| বৰটোকোলা | ধদং |
| শৰালি | শাল্লি, ইত্যাদি। |

৫.০২ গোৱালপৰীয়া উপ-ভাষা ঃ